# প্ৰস্ফুটিত নাৰী



সম্পাদনা

ড° ইছমিৰেখা সন্দিকৈ

প্ৰস্ফুটিত নাৰী

ড° ইছমিৰেখা সন্দিকৈ

L.T.K. College
Publication Cell
Azad | North Lakhimpur | Assam
ltkcollege@yahoo.in
www.ltkcollege.ac.in

ISBN : 978-81-959507-7-7

# প্ৰস্ফুটিত নাৰী

**Prasfutita Nari**

*An anthology of analytical articles on various perspectives on women, edited by Dr. Ishmi rekha Handique Konwar, Published by Publication Board, Assam College Teachers Association, Lakhimpur Zone, Lakhimpur, Assam Pin- 787001; on behalf of L. T. K. College Publication Cell, Printed at Sunrise Printers, Zoo Road, Guwahati, Assam, Pin- 787001.*

*Price Rupees 200/-* *First Edition : 2020*

---

প্ৰকাশক : অসম কলেজ শিক্ষক সংস্থাৰ লখীমপুৰ মাণ্ডলিক সমিতিৰ হৈ এল. টি. কে. মহাবিদ্যালয়ৰ প্ৰকাশন কোষৰ দ্বাৰা প্ৰকাশিত।

প্ৰথম প্ৰকাশ : ২০২০

ISBN : 978-81-939507-7-7

## সম্পাদনা সমিতি

উপদেষ্টা : গোপাল কৃষ্ণ বৰা, সঞ্জীৱ ফুকন, ড° ভাস্কৰজিৎ বৰা

সম্পাদক : ড° ইছমিৰেখা সন্দিকৈ

সদস্যবৃন্দ : প্ৰফুল্ল নাথ, কমলেশ্বৰ হাজৰিকা, জয়প্ৰকাশ ভূঞা, বাতুল কুমাৰ লাহন, মাধৱ বৰা, ড° এইচ. এম. আব্দুচ, চাহিন, প্ৰবীণ বাঢ়ৈ, বাতুল বৰা, পূৰ্ণ কান্ত বৰুৱা, উৎপল শইকীয়া, নিলোৎপল ফুকন, তিলক ডেকা।

বেটুপাত : হোমেন শইকীয়া, ধেমাজি

অক্ষৰ বিন্যাস/মুদ্ৰণ : জোনালী ডি.টি.পি. এণ্ড ডিজাইনিং চিষ্টেমচ্, উঃ লঃ চানৰাইজ প্ৰিণ্টাৰ্চ, প্ৰাগ একাডেমী কমপ্লেক্স, জু-ৰোড, গুৱাহাটী

ফোন : ৯৯৫৪৪৭৬৫৬১; ৮৪৮৬৪৮৯৯৯৯

ই-মেইল : *atulsaikia.dtp@gmail.com*

গ্ৰন্থখনিত উল্লিখিত প্ৰবন্ধসমূহ লেখকসকলৰ নিজস্ব। ভৱিষ্যতে লেখনিসমূহত থকা আপত্তিসমূহৰ বাবে সম্পাদক অথবা প্ৰকাশন গোষ্ঠী জগৰীয়া নহয়।

## সূচীপত্ৰ

- Editorial ৬
- নাৰী অধিকাৰ : এটা সূক্ষ্ম আলোকপাত ৮
  —সুচিত্ৰা শইকীয়া
- মানৱ অধিকাৰ আৰু নাৰী ১২
  —চিত্ৰৰেখা দেৱী
- নাৰী আৰু স্বাস্থ্য ১৭
  —ৰূপালী বৰগোহাঁই
- গ্ৰাম্য অৰ্থনীতি আৰু মহিলা সবলীকৰণৰ অন্য নাম : চেতনা গালা সিনহা ২২
  —ফুলেন কুমাৰ গগৈ
- নাৰী সবলীকৰণ, অসমত নাৰীৰ সামাজিক স্থিতি আৰু ডাইনী হত্যা ২৬
  —ইন্দিৰা গগৈ
- Pandita Ramabai's Contribution to Women's Reform Movement : A Historical Outlook ২৯
  *–Mrs. Anjela Borah*
- অন্তৰীপৰ মেনকা আৰু শৰবিদ্ধাৰ নীহাৰাণী : এক দৃষ্টিপাত ৩৪
  —ড° মঞ্জুমণি শইকীয়া
- Women from Assam in 21st century and the context of socio-economic development ৩৮
  *–Anita Deka Bora*
- Religion and Superstition : An Analysis ৪৩
  *—Mr Sanjib Phukan*
- Role of Women of the Tea Garden Labourers of Assam : Astudy on Kanjikhowateastate of Chabua, Dibrugarh District, Assam ৪৯
  *–Pallabi Gogoi*
- Women Empowerment Through Open and Distance Learning System in Assam. ৬০
  *–Dr. Bornali Deka*
- Gender as a contingent category ৭২
  *–Murchana Das*

# গ্ৰাম্য অৰ্থনীতি আৰু মহিলা সৱলীকৰণৰ অন্য নাম ঃ চেতনা গালা সিন্‌হা

দুলেন কুমাৰ গগৈ

ভাৰতবৰ্ষৰ গ্ৰাম্য অৰ্থনীতিৰ পট-পৰিৱৰ্তন আৰু মহিলা সৱলীকৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়োৱা মহিলাসকলৰ ভিতৰত মহাৰাষ্ট্ৰৰ চেতনা গালা সিন্‌হাৰ নাম প্ৰণিধানযোগ্য। মুম্বাই চহৰত জন্মলাভ কৰি সেই ৰাজ্যৰ খৰাং পীড়িত অঞ্চল মাহ্‌বাড়ৰ মহিলাসকলক উদ্যোগীমূলক কৌশলৰ জ্ঞান প্ৰদানৰ লগতে বহুতো ভূমিহীন পৰিয়ালক ভূমি প্ৰদান কৰি চেতনা গালা সিন্‌হাই এক উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিছে। অৰ্থনীতি বিষয়ত মুম্বাই বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ চেতনা সেই সময়ৰ বিশিষ্ট ৰাজনীতিবিদ জয়প্ৰকাশ নাৰায়ণৰ সংস্পৰ্শলৈ আহি তেওঁৰ আদৰ্শেৰে বাৰুকৈয়ে উদ্বুদ্ধ আৰু অনুপ্ৰাণিত হৈছিল। জয়প্ৰকাশ নাৰায়ণৰ লগত সামাজিক কাম-কাজত জড়িত থকাৰ সময়তেই মহাৰাষ্ট্ৰৰ এখন অতি ভিতৰুৱা খৰাং পীড়িত গাওঁ মাহ্‌বাড়ৰ বিজয় সিন্‌হাৰ লগত চিনাকী হৈছিল চেতনাৰ আৰু এদিন এই চিনাকীয়েই বিবাহৰ ৰূপ পাইছিল বিজয় সিন্‌হা আৰু চেতনাৰ মাজত। বিয়াৰ পাছত মুম্বাইৰ পৰা স্বামীৰ গৃহলৈ যোৱাৰ প্ৰথম দিনাই চেতনাৰ জীৱনত এক আচৰিত ঘটনা সংঘটিত হৈছিল। বিয়াৰ প্ৰথম দিনাই প্ৰাতঃকাৰ্যৰ বাবে ঘৰৰ বাহিৰৰ মুকলি পথাৰলৈ যাবলগীয়া হোৱাত স্বামীৰ ওচৰত আচৰ্য প্ৰকাশ কৰাত স্বামীয়ে সেতিয়া নিৰ্বিকাৰভাৱে বাহিৰলৈ যাওঁতে হাতত এটা পানীৰ লোটা আৰু গাহৰি খেদাৰ বাবে হাতত এডাল লাঠি লৈ যাবলৈহে ক'লে তেতিয়াই চেতনাই সেই অঞ্চলৰ মহিলাসকলৰ সমস্যাৱলীৰ বিষয়ে অনুধাৱন কৰিব পাৰিছিল। মুম্বাইৰ পৰা মাহ্‌বাড়লৈ আহোঁতেই চেতনাই উপলব্ধি কৰিছিল পাড়িংগাড়ীলৈ ঘণ্টাৰ পাছত ঘণ্টা ধৰি অপেক্ষা কৰা বা বিজুলীশক্তি, শৌচাগাৰ আদি



অবিহনে জীয়াই থকাটো কিমান যন্ত্ৰণাদায়ক। এইবিলাকৰ লগতে মাহ্‌বাড়ত আহি চেতনা নিজৰ অৱয়ব আৰু সাজপাৰ আদিকলৈও যথেষ্ট অসুবিধাৰ মুখামুখী হ'ব লগা হৈছিল। গাওঁৰ মহিলাসকলে তেওঁলোকৰ নিচিনাকৈ চেতনাকো এগৰাকী বিবাহিতা মহিলা হিচাপে অন্যান্য মহিলাসকলৰ দৰে ডিঙিত "মঙ্গলসূত্ৰ" পিন্ধাটো বিচাৰিছিল। কিন্তু চেতনাৰ মুকলিমূৰীয়া আৰু নাৰীবাদী মনটোৱে বাৰে বাৰে এই কথাক বাধা প্ৰদান কৰিছিল। পৰৱৰ্তী সময়ত চেতনাক তেনেকৈয়ে মহিলাসকলে গ্ৰহণ কৰি লৈছিল আৰু চেতনাৰ ঘৰখনেই হৈ পৰিছিল সকলোৰে সমস্যাৰাজীৰ সমাধানৰ একমাত্ৰ স্থান।

1986-87 চনত পঞ্চায়তী ৰাজ বিলৰ সংশোধন ঘটাই মহিলাসকলৰ বাবে পঞ্চায়ত নিৰ্বাচনত 30% আসন সংৰক্ষণৰ ব্যৱস্থা কৰা হয়। লগে লগেই চেতনাই গাওঁৰ মহিলাসকলৰ মাজত পঞ্চায়ত নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিবৰ বাবে ঘৰে ঘৰে গৈ সজাগতাৰ সৃষ্টি কৰে আৰু মহিলাসকলৰ মাজত সজাগতা সৃষ্টিৰ বাবে 'মান দেশী ফাউণ্ডেশ্যন' (Mann Deshi Foundation) ৰ প্ৰতিষ্ঠা কৰে।

গাওঁৰ মহিলাসকলৰ সঞ্চয় ক্ষমতা নিচেই কম হোৱা বাবে বেংক কৰ্মচাৰীসকলে তেওঁলোকক বেংকত পইচা জমা থবলৈ নিদিছিল। Kanta Amandas Sulanke নামৰ এগৰাকী মহিলাই এই কথা চেতনাৰ আগত অৱগত কৰা পাছত "মান দেশী ফাউণ্ডেশ্যন" ৰ এক বেংক আৰম্ভ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে যাতে গাওঁৰ মহিলাসকলে কোনো অসুবিধা নোহোৱাকৈ টকা-পইচা জমা কৰিব পাৰে। বেংক আৰম্ভ কৰাৰ পাছতো তেওঁলোকৰ সমস্যাৰ ওৰ পৰা নাছিল। এইবাৰ আকৌ নতুন এক সমস্যাই দেখা দিলে। বেংকটো অলপ দূৰণিত অৱস্থিত হোৱা বাবে গাওঁৰ মহিলাসকলে নিজৰ দৈনন্দিন কাম-কাজ এৰি ইমান দূৰ বাটকুৰি পইচা জমা দিবলৈ আহিবলৈ ইচ্ছা প্ৰকাশ নকৰা হ'ল। সেই সমস্যা দূৰ কৰিবৰ বাবে "মান দেশী" বেংকে ঘৰে ঘৰে গৈ পইচা উঠাই অনাৰ সুবিধা প্ৰদান কৰিলে। মহিলাসকলে এনেদৰে ধন জমা কৰা কথাটোত তেওঁলোকৰ গিৰিয়েক বিলাকৰ বেছিভাগেই সন্তুষ্ট নাছিল। গতিকে সুবিধা পালেই ঘৈণীয়েকহঁতে জমা কৰি থোৱা (ধনপাতি) উলিয়াই আনি মদ-ভাং খাই আৰু জুৱা খেলি উৰুৱাই দিছিল। অৱশেষত এই সমস্যাৰো সমাধান ঘটাই মহিলাসকলক বেংকে স্মাৰ্ট কাৰ্ড প্ৰদানৰ ব্যৱস্থা কৰে। চেতনা সিন্‌হা আৰু তেওঁৰ সহযোগী সকলৰ দ্বাৰা 1997 চনত স্থাপন কৰা "মান দেশী বেংক"